জাতিৰ আৱেগ   সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

...ম বছৰ, সংখ্যা ১৪২ ● বৃহস্পতিবাৰ ● ১৬ মাঘ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday January 30, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগ...



প্ৰয়াগৰাজ...

## মৌনী অমাৱস্যাৰ 'অমৃত স্নান'ত মৃতু... কিৰিলি

আহত ৯০জনৰো অধিক ■ ৰাষ্ট্ৰপতি-... প্ৰধানমন্ত্ৰী-ৰাহুল গান্ধী... শংকৰাচাৰ্যৰ শোক...

একাংশ ভক্তই স্নান কৰাৰ ...নাটো ■ মৃতকৰ পৰিয়ালক ২... কথা ঘোষণা যোগী চৰকাৰৰ...

## কানৈ মহাবিদ্যালয়ত গণৰাজ্য দিৱস উদ্‌যাপন

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ ২৯ জানুৱাৰী ঃ 'দেশৰ উত্তৰণ আৰু প্ৰগতিৰ বাবে সকলোৱে নিষ্ঠা সহকাৰে কাম কৰিব লাগিব। দেশৰ বাবে আত্ম বলিদান দিয়াসকলৰ স্মৰণ কৰাটোৱেই গণৰাজ্য দিৱসৰ উদ্দেশ্য নহয়। কেনেকৈ তেওঁলোকৰ সপোন বাস্তৱত ৰূপায়িত কৰিব পাৰি সেয়া চিন্তা কৰাটোও সকলোৰে কৰ্তব্য হোৱা উচিত।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। মহাবিদ্যালয়খনত উদ্‌যাপন কৰা গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰি তেওঁ কয় যে জাতীয় পতাকা হ'ল ভাৰতীয়সকলৰ স্বাভিমান, গৌৰৱ আৰু দেশপ্ৰেমক উদ্বুদ্ধ কৰিব পৰা এক মাধ্যম। বিগত ৭৬ বছৰে দেশখনক প্ৰতিজন নাগৰিকে কেনেকৈ আগুৱাই নিব পাৰিছে, সেয়াও বিশ্লেষণ কৰাৰ সময় বুলি তেওঁ উল্লেখ কৰে। অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানত সমাজৰ উত্তৰণৰ বাবে কাম কৰি থকা ২০গৰাকী ব্যক্তি ক্ৰমে সাংবাদিক ৰতন হাজৰিকা, ৰশ্মিৰেখা সাউদ কলিতা, দীপিকা বৰুৱা, ফাৰহানা চুলতানা, জেছিম আহমেদ, প্ৰাঞ্জল ভূঞা, জয়ন্ত ভূঞা, বিশিষ্ট নৃত্যশিল্পী দীপিকা গগৈ, সাংস্কৃতিক কৰ্মী ৰতন গগৈ, ৰাজীৱ ফুকন, দিগন্ত চেতিয়া, সাহিত্যিক, বৌদ্ধবিহাৰ, নামফাকে, নাহৰকটীয়াৰ আম চাও চাখাপ, প্ৰবীণ অভিনেতা সঞ্জয় খাৰঘৰীয়াক সম্বৰ্ধনা জনোৱা হয়। আনহাতে, অৱসৰপ্ৰাপ্ত অধ্যাপিকা, লেখিকা ড° ভাৰতী দত্তৰ উপৰি মহাবিদ্যালয়খনৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° সঞ্চিতা বৰুৱা, বুৰঞ্জী বিভাগৰ-মুৰব্বী অধ্যাপিকা ড° চন্দনা গোস্বামী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক অংশুমান বৰঠাকুৰ, উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক অম্বৰীশ ভূঞা আৰু অভিলাষ ভট্টাচাৰ্যক মহাবিদ্যালয়ৰ তৰফৰ পৰা অধ্যক্ষই তেওঁলোকৰ কৰ্মৰ স্বীকৃতিস্বৰূপে সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে মহাবিদ্যালয়ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস আৰু ৰুক্মিণী কানৈ ছাত্ৰী নিবাসতো জাতীয় পতাকা উত্তোলন কৰা হয়। গণৰাজ্য দিৱস উপলক্ষে ছাত্ৰাবাসৰ আবাসীসকলে গৃহহীনসকলক খাদ্য বিতৰণ কৰে। কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু এন চি চি কেডেটসকলো উপস্থিত থাকে।

## আন্তৰ্জাতিক দুৰ্যোগ বিপদ... দিৱস উপলক্ষে টেঙাখাতত...

টেঙাখাত ঃ নিজা সংবাদদাতা, ২৯ জানুৱাৰী ঃ ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আন্তৰ্জাতিক দুৰ্যোগ বিপদাশংকা হ্ৰাস দিৱস ২০০৪ উপলক্ষে আজি টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বানপানী, ধুমুহা, বজ্ৰপাত, ভুমিকম্প আৰু অগ্নিকাণ্ডৰ সজাগতাৰ্থে 'সুৰক্ষিত অসমৰ বাবে বাটৰ নাট-২' পৰিবেশন কৰা হয়। অসীম শৰ্মাৰ পৰিচালনাত ডিব্ৰুগড়ৰ আখৰা ঘৰ নাট্য প্ৰশিক্ষণ কেন্দ্ৰই পৰিৱেশন কৰা নাটখন উদ্বোধন কৰে স্থানীয় বিধায়ক তেৰছ

গোৱালাই। টেঙা... কুলভূষণ পেগুৰ... কে অনুপ শই... ঋষিকেশ দাসে অ... আয়ুক্ত কৌস্তুভ... একবাল ৰছুল, প্ৰা... দলে, টেঙাখাত ... অধ্যক্ষ একলব্য ... সভাপতি প্ৰিয়নাথ... শিক্ষক-শিক্ষয়িত্ৰী... থাকে। নাটখনত... বৰুৱা, ৰাজীৱ দা... দাস আৰু বিদিশা...

## লংছোৱালত জাবৰ...

তিনিচুকীয়া ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৯ জানুৱাৰী ঃ তিনিচুকীয়া জিলাৰ ... মাজৰ লংছোৱালত জাবৰৰ দ'মে কদৰ্যময় পৰিৱেশৰ কৰিছে। ল... কাষত জাবৰ-জোঁথৰ ভৰি পৰিছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নি... ফলত জাবৰ এতিয়া ৰাষ্ট্ৰীয় ঘাইপথলৈকে আহিছে। জাবৰ পে... নোহোৱাত এলেকাটোত জাবৰ বৃদ্ধি পাবলৈ ধৰিছে। লংছোৱাল... লগতে আৱাসগৃহ বৃদ্ধি পোৱাৰ ফলত এলেকাটোত বহু লোকে ... তুলিছে। জাবৰৰ দ'মে দুৰ্গন্ধময় পৰিৱেশৰো সৃষ্টি কৰিছে। আনহা... প্ৰশাসনেও কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। জানিব পৰা মতে ...